উঃ- অসমীয়া সাহিত্যৰ সুদীৰ্ঘ ইতিহাসত মধ্যযুগৰ সাহিত্যৰাজিৰ মূল্য অপৰিসীম। মধ্যযুগৰ সাহিত্যৰাজিৰ ভিতৰত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক তন্ত্ৰ মন্ত্ৰমূলক সাহিত্য, বিভিন্ন গীত-পদ আৰু কাব্য-সাহিত্য, অংকীয়া নাট আৰু অন্যান্য (বিবিধ বিষয়ৰ) সাহিত্য উল্লেখযোগ্য। এই সকলো শ্ৰেণীৰ সাহিত্যৰ ভিতৰত চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যই সমান্তৰাল ভাৱে দুটি পৃথক সাহিত্যৰ সোঁতৰ সৃষ্টি কৰি মধ্যযুগ সমৃদ্ধ কৰি গ'ল। চৰিত সাহিত্যৰ ধাৰাটি নৱবৈষ্ণৱ ধৰ্মৰ পটভূমিত ৰচিত আৰু বুৰঞ্জী সাহিত্যৰ ধাৰাটি আহোম ৰাজশাসনৰ পৃষ্ঠপোষকতাত ৰচিত। চৰিত সাহিত্য ই বিশেষভাৱে অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ গুৰু শংকৰদেৱ আৰু প্ৰিয় শিষ্য মাধৱদেৱ আৰু অন্যান্য শিষ্য-প্ৰশিষ্যসকলৰ জীৱন কথা বৰ্ণনা কৰাৰ লগতে অসমীয়া সাহিত্যৰ মধ্যযুগটোক বিশেষভাৱে সজাই পৰাই তুলিছে। সত্ৰসমূহত বৈষ্ণৱ ভকতসকলে ধৰ্ম চৰ্চাৰ লগতে গুৰুসকলৰ গুণ-মহিমা শ্ৰৱণ-কীৰ্তন কৰা ধৰ্ম কাৰ্যই "চৰিত তোলা প্ৰথাই" প্ৰথমৰূপে প্ৰচলিত হ'বলৈ ধৰিলে। গুৰু পৰম্পৰা বা মাতি মুখা কাহিনীবোৰে পৰৱৰ্তী কালত লিপিবদ্ধ হৈ চৰিত পুথিৰ ৰূপত আত্মপ্ৰকাশ কৰিলে। পদ আৰু গদ্য উভয়তে ৰচিত চৰিত পুথিসমূহৰ আৰম্ভণি ষোড়শ শতিকাৰ পৰাই হোৱা বুলি অনুমান কৰিব পাৰি। প্ৰথম অৱস্থাত চৰিত পুথিবোৰ পদত ৰচনা কৰা হৈছিল আৰু এনে পদ্য চৰিতৰ সংখ্যাই সৰহ আছিল, অষ্টাদশ শতিকাৰ শেষ ভাগলৈ গদ্যত ৰচনা কৰা চৰিত পুথিয়ে বিশেষ বিকাশ লাভ কৰে।

Scanned by TapScanner

চৰিত-পুথিসমূহত গুৰুসকলৰ আদৰ্শাৱলী অংগালৈ পোৱা যায়। চৰিতকাৰ সকল আছিলতে ভক্ত নাইবা শিষ্য আছিল। গতিকে শিষ্য বা ভক্ত হিচাপে তেওঁ গুৰুসকলক কেৱল আদৰ্শাত্মক ৰূপতহে চিত্ৰিত কৰিছে। ব্যক্তি-গত জীৱন চৰিত্ৰৰ দৰে নায়কৰ শক্তি আৰু দুৰ্বলতা দুয়োটাকে সমানভাৱে ঠাই দিয়াৰ প্ৰচেষ্টা দেখা নাযায়। গুৰুসকলৰ মহিমা প্ৰকাশ কৰিবলৈ যাওঁতে ঠায়ে ঠায়ে অলৌকিক ঘটনা আৰু ঐশ্বৰিক কাৰ্যকলাপো চৰিতত আৰোপ কৰা দেখা যায়।

চৰিত-পুথিবোৰক এক প্ৰকাৰৰ জীৱনীমালাও বুলিব পাৰি। বিভিন্ন ছন্দত ৰচনা কৰাৰ উপৰিও কাব্যিক অতিৰঞ্জন, অলংকৰণ আৰু বৰ্ণনা বাহুল্যই কিছু পৰিমাণে এই জীৱনী কাব্যক কাব্যিক মৰ্যাদা দান কৰিছে।

ধৰ্মীয় প্ৰসংগতো চৰিত পুথিসমূহে বিশেষভাৱে সমাজত সমাদৰ পাই আহিছে। গুৰুসকলৰ জীৱনী আৰু তেওঁলোকৰ আদৰ্শনীয় কাৰ্যকলাপৰ যোগেদি চৰিতকাৰসকলে বিশেষ নৈতিক তথা সাম্প্ৰদায়িক ধৰ্মীয় বিশ্বাস, নিষ্ঠা, নীতি আৰু আচাৰ সম্পৰ্কে শিক্ষা দিয়াৰ প্ৰচেষ্টা কৰিছে। বিভিন্ন পৰিস্থিতি আৰু সংকটৰ মুহূৰ্তত মহাপুৰুষসকলে বা গুৰুসকলে কেনেদৰে সেই পৰিস্থিতিৰ সন্মুখীন হৈ ধৈৰ্যৰ আদৰ্শ প্ৰদৰ্শন কৰিছিল সেই কথা জানি নিজকো সেইমতে পৰিচালনা কৰি নিবলৈ আদৰ্শ পাইছিল।

চৰিত পুথিসমূহ বুৰঞ্জীৰ পৰিপূৰক। বুৰঞ্জীত প্ৰধানকৈ ৰাজনৈতিক ঘটনাৱলী আৰু ৰজাসকলৰ কাৰ্যকলাপৰ বৰ্ণনা আছে, কিন্তু জনসাধাৰণৰ দৈনন্দিন, ধাৰ্মিক আৰু ~~...~~ সামাজিক জীৱন তাত প্ৰতিফলিত হোৱা নাই। এই অভাৱ চৰিত পুথিয়ে বহু পৰিমাণে পূৰণ কৰিছে। বেহা-বেপাৰ, শিক্ষা, কৃষি, ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থা

আৰু শাস্ত্ৰীলোকে ৰজা আৰু ৰাজবিষয়াৰ কাৰ্যকলাপক উপলক্ষ কৰি চৰিত পুথিয়ে যথেষ্টখিনি পোহৰ পেলায়। অসমৰ সামাজিক বুৰঞ্জী লিখিবলৈ চৰিতপুথিসমূহৰ অৱদান নিতান্ত অপৰিহাৰ্য বুলি কব পাৰি। সেয়েহে চৰিত পুথিক অসমৰ বুৰঞ্জীৰ পৰিপূৰক নাইবা উত্তৰ বৰ্ণনা ও প্ৰাচীন বুৰঞ্জী বুলি আখ্যা দিব পাৰি। চৰিত পুথিত গুৰুসকলৰ ধৰ্ম-জীৱনৰ সকলোবোৰ খুটি-নাটি, অনুকূল-প্ৰতিকূল অৱস্থা, বৈষ্ণৱ অনুষ্ঠানৰ প্ৰসাৰৰ ইতিহাস, সামাজিক অৱস্থা, ৰজাসকলৰ প্ৰচাৰ আৰু প্ৰতিক্ৰিয়া, সত্ৰানুষ্ঠানৰ বিকাশ, বিভিন্ন গ্ৰন্থৰ উৎপত্তি আৰু বৈষ্ণৱ আচাৰ-নীতিৰ আৰ্হিকে আদি কৰি বহুতো সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ উপাদান পোৱা যায়। মহাপুৰুষ আৰু গুৰুসকলৰ দৈনন্দিন জীৱনৰ পুংখানুপুংখ বিৱৰণ দাঙি ধৰি সেইলোকৰ ব্যক্তিত্বৰ স্বৰূপ প্ৰতিফলন কৰাত চৰিত লেখকসকলে বিশেষ সফলতা লাভ কৰিছে।

অসমীয়া ভাষাৰ এই চৰিত পুথিসমূহৰ ভিতৰত ৰামচৰণ ঠাকুৰে লিখা 'শংকৰ চৰিত' খনকেই প্ৰথম বুলি ক'ব পাৰি। 'শংকৰ চৰিত' খনত বহুতো অলৌকিক কথা থাকিলেও শংকৰদেৱৰ গোটেই জীৱনৰ সকলো কাহিনী বিশদ ভাৱে পোৱা যায়, ৰামচৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰে লিখিছিল 'শংকৰদেৱ-মাধৱদেৱ চৰিত'। ভূষণ দ্বিজে লিখা চৰিত পুথিখন হ'ল 'শংকৰ চৰিত', ৰামানন্দ দ্বিজৰ 'গুৰু চৰিত'ত মহাপুৰুষ শংকৰদেৱৰ জীৱনী আৰু লীলাৱলী প্ৰকাশকে, আৰু প্ৰাসংগিক ভাৱে মাধৱদেৱৰ আৰু গোপাল আতাৰ জীৱনীও বৰ্ণনা কৰিছে আৰু মহাপুৰুষৰ তিৰোধানৰ লগে লগে চৰিত্ৰটো সামৰণি পৰিছে। ৰামৰায়ৰ 'গুৰু লীলা'ত দামোদৰদেৱৰ জন্মৰ পৰা ভট্টদেৱৰ মৃত্যুলৈকে সকলো বিৱৰণ পোৱা যায়। ৰামানন্দই লিখা চৰিত পুথি খন হ'ল 'বংশী গোপাল দেৱৰ চৰিত'।

Scanned by TapScanner

বংশীগোপাল দেৱে উজনি আৰু মধ্য অসমত কিদৰে সত্ৰ স্থাপন কৰিছিল আৰু শেষত কুৰুৱাবাহীত সত্ৰ কেনেকৈ প্ৰৱৰ্তন কৰিছিল তাৰ বহুল বিৱৰণ পোৱা যায়।

উপৰোক্ত উল্লেখ কৰা চৰিত-পুথিসমূহৰ উপৰিও সপ্তদশ শতাব্দীৰ শেষৰ ফালে ৰচনা কৰা উল্লেখযোগ্য চৰিত পুথি হ'ল — ৰামানন্দৰ 'বনমালীদেৱৰ চৰিত', ভোলানন্দ দ্বিজৰ 'গোবিন্দ-চৰিত', চিদানন্দ ওজাৰ 'ঠাকুৰ চৰিত'।

অষ্টাদশ শতিকাত গদ্যত ৰচনা কৰা চৰিত-পুথিৰ বিশেষ বিকাশ দেখা যায়, তাৰ ভিতৰত উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ সম্পাদিত 'কথা-গুৰু-চৰিত', লক্ষ্মীনাথ বেজবৰুৱাই বাহিৰ প্ৰকাশ কৰা 'বৰদোৱা গুৰুচৰিত', গোবিন্দ দাসৰ 'সত্ৰ-সম্প্ৰদা', ভট্টদেৱৰ নামত প্ৰচলিত 'সাত সম্প্ৰদায়ৰ কথা' বিশেষভাৱে উল্লেখযোগ্য। 'কথা-গুৰুচৰিত' আৰু 'বৰদোৱা-গুৰুচৰিত' আকাৰত যেনেকৈ ডাঙৰ তেনেকৈ গদ্যৰ চানেকিসমূহেও উৎকৃষ্ট নিদৰ্শন।

'কথা-গুৰুচৰিত' পুথিত দুজন গুৰু নহয়, দুজন ঠাকুৰদেৱকে আদি কৰি মহাপুৰুষীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰায়খিনি সত্ৰ-মহন্তৰ জীৱনবৃত্ত আৰু সমসাময়িক ধৰ্ম আৰু সমাজৰ খবৰ-খাদিৰ পৰিচয় পোৱা যায়। পুথিখন কেৱল ধৰ্মীয় উপাদানৰ কাৰণেই মূল্যবান নহয়, সেইকালীন সময়ৰ সামাজিক, অৰ্থনৈতিক অৱস্থা জনাৰ কাৰণেও সমানেই মূল্যবান।

গদ্য-চৰিত-পুথিৰ ভাষা ভট্টদেৱৰ বা বকুল কায়স্থৰ পুথিৰ ভাষাৰ দৰে প্ৰখৰ যদিও গুৰুগম্ভীৰ লগতে একে একে নহয়, কথিত ভাষাতে অতি আতিশয্য পৰিমাৰ্জিত ৰূপ ইয়াত পোৱা যায়। এই গদ্য মাধুৰীয়া ভকত - সমাজৰ [illegible]

Scanned by TapScanner